# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 23-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। দেশৰ চাৰিখন ৰাজ্যৰ ৫ খন বিধানসভা আসনৰ বাবে হোৱা উপ-নিৰ্বাচনৰ আজি ভোটগণনা কৰা হ'ব।

২। আমেৰিকাই ইৰানৰ তিনিটা পৰমাণু ঘাটি ফৰ্ডৌ, নটাঞ্জ আৰু ইস্ফহানত কৰা আক্ৰমণৰ পাছত ৰাষ্ট্ৰসংঘই এখন জৰুৰীকালীন বৈঠকৰ আহ্বান কৰিছে।

৩। সংসদ আৰু ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলৰ বিধান পৰিষদৰ অনুমান সমিতিসমূহৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন আজি মুম্বাইত আৰম্ভ হ'ব।

৪। বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ইৰানৰ মাশ্বাডৰ পৰা এখন বিশেষ বিমানেৰে যোৱা নিশা নতুন দিল্লীত উপস্থিত হোৱা ২৮৫ গৰাকী ভাৰতীয় নাগৰিকক আদৰণি জনাইছে। *আৰু*

৫। ভাৰত-ইংলেণ্ডৰ মাজত চলি থকা এণ্ডাৰ্চন-তেণ্ডুলকাৰ ট্ৰফীৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন খেলৰ কালি তৃতীয় দিনা ভাৰতে প্ৰথম ইনিংছত ৯৬ ৰানৰ অগ্ৰগতি লাভ কৰিছে।

ooooo

দেশৰ চাৰিখন ৰাজ্যৰ ৫ খন বিধানসভা আসনৰ বাবে হোৱা উপ-নিৰ্বাচনৰ আজি ভোটগণনা কৰা হ'ব। ৰিছাৱদাৰ আৰু কড়ি সমষ্টিৰ বাবে গুজৰাটত ভোটগণনা কৰা হ'ব। ইয়াৰ লগতে কেৰালাত নিলাম্বুৰ আসনখনৰ বাবে, পশ্চিমবংগত কালিগঞ্জ আৰু পঞ্জাবত লুধিয়ানা পশ্চিম বিধানসভা আসনখনৰ বাবেও আজি ভোটগণনা কৰা হ'ব।

ooooo

আমেৰিকাই ইৰানৰ তিনিটা পৰমাণু ঘাটি ফৰ্ডৌ, নটাঞ্জ আৰু ইস্ফহানত কৰা আক্ৰমণৰ পাছত ৰাষ্ট্ৰসংঘই এখন জৰুৰীকালীন বৈঠকৰ আহ্বান কৰিছে। ইয়াৰ মাজতে ৰাছিয়া, চীন আৰু পাকিস্তানে ১৫ জনীয়া সদস্য সমিতিক মধ্যপ্ৰাচ্যত তাৎক্ষণিক আৰু বিনাচৰ্তে যুদ্ধ বিৰতিৰ প্ৰস্তাৱ দিবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰসংঘৰ এখন বৈঠকত ভাষণ দি ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিয় গুটেৰেছে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ক মধ্যপ্ৰাচ্যত অস্থিৰতা হ্ৰাস কৰাৰ উদ্দেশ্যে শীঘ্ৰেই কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। গুটেৰেছে কৈছে, যে সংঘৰ্ষ বন্ধ কৰাৰ লগতে আমি ইৰানৰ পৰমাণু কাৰ্যসূচী সন্দৰ্ভত আলোচনা অব্যাহত ৰাখিবৰ বাবে তাৎক্ষণিক আৰু নিৰ্ণায়ক ৰূপত কাম কৰা উচিত।

ooooo

ইজৰাইলৰ বিমান বন্দৰসমূহ বন্ধ কৰি দিয়াৰ লগতে বাণিজ্যিক বিমান সেৱা বাতিল কৰাৰ পাছত ইজৰাইল আৰু জৰ্ডানত আবদ্ধ হৈ থকা ভাৰতীয় লোকসকলক উদ্ধাৰৰ অভিযানৰ অংশ হিচাপে অপাৰেচন সিন্ধুৰ অধীনত কালি ১৬০ গৰাকী ভাৰতীয় লোকক সুৰক্ষিতভাৱে উদ্ধাৰ কৰা হয়। উল্লেখযোগ্য যে ইৰান আৰু ইজৰাইলত থকা ভাৰতীয় লোকসকলক ঘূৰাই অনাৰ বাবে যোৱা সপ্তাহত অপাৰেচন সিন্ধু মুকলি কৰা

হৈছিল। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তেল আভিভত থকা ভাৰতীয় দূতাবাসে এই উদ্ধাৰকাৰ্যত সহায়ক হোৱাকৈ ২৪ ঘণ্টাই কাৰ্যকৰী হোৱা এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে। এই নিয়ন্ত্ৰণ কক্ষটোৱে ইজৰাইলত থকা ভাৰতীয় নাগৰিকসকলক অনলাইন প'ৰ্টেলৰ জৰিয়তে তেওঁলোকৰ সকলো তথ্য পঞ্জীয়ন কৰিবলৈ নিৰ্দেশ দিছে।

ooooo

বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ইৰানৰ মাশ্বাডৰ পৰা এখন বিশেষ বিমানেৰে যোৱা নিশা নতুন দিল্লীত উপস্থিত হোৱা ২৮৫ গৰাকী ভাৰতীয় নাগৰিকক আদৰণি জনাইছে। মন্ত্ৰীগৰাকীয়ে কয়, যে অপাৰেচন সিন্ধুৰ অধীনত এতিয়ালৈকে এহেজাৰ ৭১৩ গৰাকী ভাৰতীয় নাগৰিকক ইৰানৰ পৰা উদ্ধাৰ কৰা হৈছে। তেওঁ কয়, যে অহা দুদিনত ইৰানৰ পৰা দুই-তিনিখন বিশেষ বিমানমেৰে আৰু অধিক ভাৰতীয় নাগৰিকক স্বদেশলৈ ওভতাই অনাৰ ব্যৱস্থা কৰা হৈছে। ইৰান আৰু ইজৰাইলত থকা ভাৰতীয় নাগৰিকসকলৰ সৈতে মন্ত্ৰালয়ে যোগাযোগ অব্যাহত ৰাখিছে বুলিও শ্ৰীমাৰ্ঘেৰিটাই জানিবলৈ দিয়ে।

ooooo

সংসদ আৰু ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলৰ বিধান পৰিষদৰ অনুমান সমিতিসমূহৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন আজি মুম্বাইত আৰম্ভ হ'ব। এই সন্মিলনত প্ৰশাসনৰ দক্ষতা আৰু অৰ্থনৈতিক নিশ্চিতিৰ বাবে আনুমানিক বাজেটৰ পৰ্যালোচনা তথা এই দিশসমূহ চোৱাচিতা কৰাৰ ক্ষেত্ৰত সমিতিসমূহৰ ভূমিকা সন্দৰ্ভত আলোচনা কৰা হ'ব। এই সমিতিৰ কাৰ্যকৰীকৰণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি এই সন্মিলনৰ আয়োজন কৰা হৈছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ এই সন্মিলনত উপস্থিত থাকিব। ইয়াৰোপৰি সংসদ তথা ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত বিধান পৰিষদৰ অনুমান সমিতিসমূহৰ অধ্যক্ষ আৰু সদস্যসকলেও সন্মিলনত ভাগ ল'ব।

মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণন, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ, উপ-মুখ্যমন্ত্ৰীদ্বয় একনাথ সিন্দে আৰু অজিত পাৱাৰ, মহাৰাষ্ট্ৰ বিধান পৰিষদৰ অধ্যক্ষ প্ৰফেচাৰ ৰামচন্দ্ৰ সিন্দে, মহাৰাষ্ট্ৰ বিধানসভাৰ অধ্যক্ষ ৰাহুল নাৰ্বেকৰ আৰু সংসদৰ অনুমান সমিতিৰ অধ্যক্ষ ড০ সঞ্জয় জয়ছোৱালো সন্মিলনৰ উদ্বোধনী সত্ৰত উপস্থিত থাকিব।

ooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি নয়দাৰ এমিটি বিশ্ববিদ্যালয়ত ভাৰতীয় বিশ্ববিদ্যালয় সংস্থা স্থাপনৰ শতবৰ্ষ কাৰ্যসূচীৰ অংশ হিচাপে আয়োজিত উপাচাৰ্যসকলৰ ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। দুদিনীয়াকৈ আয়োজিত এই ৰাষ্ট্ৰীয় সন্মিলনৰ বিষয়বস্তু হৈছে- ভৱিষ্যতৰ উচ্চ শিক্ষাৰ কল্পনা ঃ ভাৰতৰ গুৰুত্বপূৰ্ণ ভূমিকা। এই সন্মিলনত দেশৰ বিভিন্ন প্ৰান্তৰ বিশ্ববিদ্যালয়ৰ প্ৰায় ৩০০ গৰাকী উপাচাৰ্য উপস্থিত থকাৰ লগতে প্ৰায় ২০০ গৰাকী উপাচাৰ্যই ভাৰ্চুৱেল ব্যৱস্থাৰে সন্মিলনত অংশগ্ৰহণ কৰিব।

ooooo

চৰকাৰে বিগত দুটা সপ্তাহ ধৰি পশ্চিম এছিয়াৰ ভূ-ৰাজনৈতিক পৰিস্থিতি বিশেষভাৱে পৰ্যবেক্ষণ কৰি আছে বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পষ্টত কালি শ্ৰীপুৰীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে বিগত কিছু বছৰত ইয়াৰ যোগান ব্যৱস্থাত পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে তেল কোম্পানীসমূহৰ ওচৰত কেইবা সপ্তাহৰো যোগান মজুত আছে আৰু এই কোম্পানীসমূহে আগলৈও শক্তি যোগান লাভ কৰিব। তেওঁ কয়,

যে ভাৰতীয় নাগৰিকসকলৰ বাবে ইন্ধনৰ যোগানৰ ক্ষেত্ৰত স্থিৰতা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি সন্ধিয়া চত্তিশগড়ৰ ৰায়পুৰত নক্সালবাদৰ বিৰুদ্ধে যুঁজ দিয়া সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। এই পৰ্যালোচনা বৈঠকত আৰক্ষী সঞ্চালকপ্ৰধান, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধানৰ লগতে বাওঁপন্থী উগ্ৰবাদ অধ্যুষিত ৭ খন ৰাজ্য- চত্তিশগড়, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ঝাৰখণ্ড আৰু ওড়িশাৰ জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে। অহা বছৰৰ ৩১ মাৰ্চৰ ভিতৰত দেশৰ পৰা নক্সালবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰা হ'ব বুলি শ্ৰীশ্বাহে সজোৰে কয়। আমাৰ নিৰাপত্তা বাহিনীসমূহৰ সাহস আৰু চোৰাংচোৱা সংস্থাসমূহৰ কৌশলগত ব্যৱস্থাৰ জৰিয়তে চৰকাৰে এই লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হ'ব বুলি তেওঁ কয়। শ্ৰীশ্বাহে নক্সালবাদৰ পথ অনুসৰণ কৰা যুৱকসকলক সেই পথ পৰিহাৰ কৰি চত্তিশগড় চৰকাৰৰ সমৰ্পণ নীতিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে চত্তিশগড় চৰকাৰে আত্মসমৰ্পণকাৰী নক্সালবাদীসকলক দিয়া সকলোবোৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি সন্ধিয়া নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ আধাৰত প্ৰকাশিত গ্ৰন্থ **Wings To our Hopes**ৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব। ৰাষ্ট্ৰপতিৰ ৫১টা ভাষণ সন্নিৱিষ্ট গ্ৰন্থখনত শ্ৰীমতী দ্ৰোপদী মুৰ্মুৰ দ্বিতীয় বৰ্ষৰ কাৰ্যকালত তেওঁৰ দৃষ্টিভংগী, দৰ্শন আৰু অগ্ৰাধিকাৰ প্ৰতিফলিত হৈছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু ৰাজ্যিক মন্ত্ৰী ড০ এল মুৰুগানো গ্ৰন্থ উন্মোচন অনুষ্ঠানত উপস্থিত থাকিব। গ্ৰন্থখন হিন্দী আৰু ইংৰাজী ভাষাত প্ৰকাশ পোৱাৰ লগতে এটা ই-সংস্কৰণো উপলব্ধ হ'ব।

ooooo

আন্তঃৰাষ্ট্ৰীয় আণৱিক শক্তি সংস্থা IAEA য়ে আজি এখন জৰুৰী বৈঠকৰ আয়োজন কৰিছে। সংস্থাৰ মুৰব্বী ৰাফেল গ্ৰোছিয়ে প্ৰকাশ কৰা অনুসৰি ইৰানৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই বৈঠকৰ আহ্বান জনোৱা হৈছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত গ্ৰোছিয়ে কয়, যে ইৰানৰ পাৰমাণৱিক সুবিধাৰ স্থলসমূহত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেনাই চলোৱা আক্ৰমণৰ পাছত সংস্থাটোৰ গৱৰ্ণৰসকলৰ পৰিষদৰ এখন জৰুৰী বৈঠকৰ আহ্বান জনোৱা হৈছে। ইতিমধ্যে ইৰানৰ পাৰমাণৱিক অস্ত্ৰ বিভাগৰ মুৰব্বী মহম্মদ ইছলামে IAEAলৈ লিখিতভাৱে প্ৰেৰণ কৰা এখন পত্ৰত তেহৰানৰ তৰফৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ আক্ৰমণৰ তদন্ত দাবী কৰা হোৱাৰ লগতে এই আক্ৰমণৰ গৰিহণা দিবলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ পূৰ্বে ইৰানৰ ৩টাকৈ পাৰমাণৱিক শক্তিস্থলত আমেৰিকা যুক্তৰাষ্ট্ৰই চলোৱা আক্ৰমণত কোনো ধৰণৰ বিকীৰণ হোৱা নাই বুলি IAEA য়ে নিশ্চিত কৰিছে।

ooooo

ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত নিৰাপত্তা পৰিষদৰ এখন জৰুৰী বিশেষ অধিবেশনত সচিব এণ্টনিঅ' গুটেৰেছে ইৰাণৰ পাৰমাণৱিক ক্ষেত্ৰসমূহত আমেৰিকাৰ সামৰিক আক্ৰমণৰ পিছত দেশখনৰ সংকট হ্ৰাস কৰাৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে। প্ৰতিশোধ আৰু গভীৰ সংঘাতৰ ফলত হব পৰা বিপদৰ আশংকা কৰি গুটেৰেছে কয় যে আমি শান্তিৰ ওচৰত হাৰ মানিব নোৱাৰো আৰু হাৰ মনাতোও উচিত নহয়। আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ প্ৰতি অহা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি আহ্বান জনোৱা অধিবেশনত ভাষণ দি তেওঁ সকীয়াই দিয়ে যে ইৰাণৰ ওপৰত আমেৰিকাৰ আক্ৰমণ অঞ্চলটোৰ অৱনতি ঘটা পৰিস্থিতিৰ এক

“বিপজ্জনক মোৰ”। তেঁও লগতে মধ্য প্ৰচ্যত সামৰিক উত্থানক গৰিহণা দি সাধাৰণ নাগৰিকৰ সুৰক্ষা আৰু নিৰাপদ সামুদ্ৰিক পৰিবহণ নিশ্চিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাছিয়া, চীন আৰু পাকিস্তানে নিৰাপত্তা পৰিষদৰ জৰুৰী বৈঠক আহ্বান কৰি তাৎক্ষণিক আৰু বিনাচৰ্তে যুদ্ধবিৰতিৰ প্ৰস্তাৱ আগবঢাইছে। বৈঠকত ইৰাণৰ প্ৰতিনিধি আমিৰ ছাইদ ইৰাভানীয়ে কয় যে তেহৰানৰ আমেৰিকাৰ আগ্ৰাসনৰ বিৰুদ্ধে নিজকে সুৰক্ষা দিয়াৰ অধিকাৰ আছে। তেওঁ লগতে কয় যে এই আক্ৰমণৰ পাছত ইৰাণৰ পৰৱৰ্তী পদক্ষেপ দেশখনৰ সশস্ত্ৰ বাহিনীয়ে নিৰ্ধাৰণ কৰিব। ইজৰাইলৰ ৰাষ্ট্ৰসংঘৰ দূত ডেনি ডেননে আমেৰিকাৰ ইৰাণ আক্ৰমণে বিশ্বক নিৰাপদ স্থানলৈ পৰিণত কৰিছে বুলি মন্তব্য কৰে আৰু এই আক্ৰমণক গৰিহণা নজনোৱাৰ পোষকতা কৰে। ইফালে চীনৰ ৰাষ্ট্ৰদূত ফু কঙে আমেৰিকাৰ আক্ৰমণক গৰিহণা দি সংযম হোৱাৰ আহ্বান জনাইছে। আমেৰিকাৰ ৰাষ্ট্ৰদূত ড’ৰথী শ্বিয়াই কয় যে ইৰাণে প্ৰতিশোধ লোৱাৰ কথা ভবাটো অনুচিত। আমেৰিকাৰ নাগৰিক বা আমেৰিকাৰ সামৰিক ঘাটিৰ বিৰুদ্ধে প্ৰত্যক্ষ বা পৰোক্ষভাৱে যিকোনো আক্ৰমণ কৰিলে বিধ্বংসী প্ৰতিশোধ লোৱা হ'ব বুলিও ৰাষ্ট্ৰদূতগৰাকীয়ে সকিয়নী প্ৰদান কৰিছে।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত এণ্ডাৰছন-টেণ্ডুলকাৰ ট্ৰফীৰ পাঁচখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথম ইনিংছৰ তৃতীয় দিনা ভাৰতে ৯৬ ৰানৰ অগ্ৰগতি লাভ কৰি আছে। বৰষুণৰ বাবে চমুৱাই দিবলগীয়া কালিৰ দিনটোৰ খেলখনৰ সমাপ্তিত ভাৰতে ২ উইকেটৰ বিনিময়ত ৯০ ৰান সংগ্ৰহ কৰিছিল। খেলখনত কে এল ৰাহুলে ৪৭ ৰান আৰু অধিনায়ক শুভমন গীলে ৬ ৰানত বেটিং কৰি আছিল। ইয়াৰ পূৰ্বে ইংলেণ্ডৰ বিপক্ষে লীডছত চলি থকা টেষ্ট মেচৰ প্ৰথম ইনিংছত ভাৰতীয় দলে সংগ্ৰহ কৰা ৪৭১ ৰানৰ প্ৰত্যুত্তৰত ইংলেণ্ডে ৪৬৫ ৰানত প্ৰথম ইনিংছ সামৰে। ভাৰতে প্ৰথম ইনিংছত ৬ ৰানৰ অগ্ৰগতি লাভ কৰিছে। সুভ্মান গিলে ১৪৭ ৰান কৰাৰ বিপৰীতে ঋষভ পন্তই ১৩৪ ৰানৰ বৰঙণি আগবঢ়াই। আয়োজক দলৰ হৈ অলি পোপে ১০৬ ৰান আৰু হেৰী ব্ৰুকে সংগ্ৰহ কৰা ৯৯ ৰাণে দলটোক লক্ষ্যৰ ওচৰ চাপিবলৈ সহায় কৰে। ইয়াৰ পূৰ্বে ভাৰতে ৩ উইকেটত ৩৫৯ ৰান সংগ্ৰহ কৰি প্ৰথম ইনিংছ আৰম্ভ কৰিছিল।

ooooo

সমাপ্ত